'ধনকে ধনে কৰি ধনকে ঘটিলি
পৰম যতন কৰি;
ধনে যাব চলি দেহা যাব পিছলি
লগত যাব হুছলি খৰি।'

চটাই পৰেবত আৰু চিৰি লুইত অসমীয়া স্বভাব-কবিৰ কল্পনাৰে ৰঞ্জিত হৈ উঠে। গাঢ়-সেউজীয়া বা পাতল নীলা ৰঙেৰে জিলিকি উঠা চটাই পৰেবতটো আচল পৰ্ব্বত নহয়; কল্পনাৰ পৰ্ব্বতীহে। বিহুনামৰ বুকুত চটাই-পৰেবত আৰু চিৰি লুইত জিলিকি উঠে কাব্যিক পৰশ লৈ।

'চটাই পৰেবত ধুঁৱলী কুঁৱলি
কোনে ভাত বান্ধি খায়;
মাক নাই মাউৰা তিৰী নাই বঁৰলা
হাতী ধৰিবলৈ যায়।'
* * *
'চটাই পৰেবতত পহু জাল পাতিলোঁ
চটাইতে গধুলি হ'ল,
সমনীয়াই সুধিলে কমে কি এবুলি
জাল ফালি হৰিণা গ'ল।'

চটাই পৰেবতত জাল ফালি হৰিণা যোৰাটো বুকু খালি কোনোবা ওলাই যোৱাৰহে বলিষ্ঠ চিত্ৰধৰ্ম্মী প্ৰতীক।

লোকগীতত সময়ৰ বোল লাগে; বুৰঞ্জীৰ আঁচোৰ পৰে। অসমৰ জাতীয় জীৱনত আহোম ৰাজত্বৰ প্ৰভাব বৰ্ণনাতীত। জাতীয় জীৱনৰ ৰন্ধ্ৰে ৰন্ধ্ৰে বিয়পি পৰে অনেক কথা। আহোম ৰাজ-সিংহাসনৰ অধিকাৰী স্বৰ্গদেও। সেয়ে বিহুনামত স্বৰ্গদেৱৰ কথাই ঠাই পাইছে।

'স্বৰ্গদেও ওলালে বাটচ'ৰাৰ মুখলৈ
ছুলীয়াই পাতিলে দোলা;

কাণত জিলিকিলে নৰা-জাংফাই
গাত গোমচেঙৰ চোলা।'

* * *

'চৰাই চিকুণ তেলীয়া সাৰেং
মাছৰ চিকুণ মালি ;
স্বৰ্গদেওৰ চিকুণ কেঁকোৰা দোলাখন
শুৱায় গজেপুৰৰ আলি।
স্বৰ্গদেও আনিলে চুতীয়া কাঁড়ী ঐ
বুকু বহল বহল চাই ;
এঙেঠা ভিৰায়ে মাৰে শৰ-ধনু
হেদামত সৰকি ষায়।'

* * *

'জোনৰে তামুলী তৰা সমনীয়া
জোনৰে তামুলী তৰা ;
স্বৰ্গদেৱৰ তামুলী গন্ধীয়া ফুকন
মাতে তাংকাকৰে পৰা।'

অকল সেয়ে নহয়। বিহুনামত অনেক কাহিনীয়ে নিজৰ চিনাকি দি সময়ৰ পৰশৰ স্বীকৃতি ঘোষণা কৰিছে।

'কিনো মাছ মাৰিবৰ তুৰা সমনীয়া
কিনো মাছ মাৰিবৰ তুৰা ;
ৰংপুৰ নগৰত কাৰেংঘৰ সাজিলে
মাৰলিৰ নেখালে জোৰা।'

* * *

'ছাঁ পাই বগলী চৰে সমনীয়া
পানী পাই বগলী নাচে ;

কোন শতুৰুৱে কৈ পঠিয়ালে
মৈদামত কেঁচাসোণ আছে।'

* * *

'শিৱসাগৰ শুকাব আফুকানি ওলাব
আফিঙত পাতিব জোকা;
কোম্পানী বাগিছা সদাগৰী কৰিব
ডেকা ল'ৰা কৰিব বুঢ়া।

* * *

'বঙাল বঙাল কিনো ঐ বঙাল
বঙালে আছিলে চাই;
সাত ৰাজ্য মাৰি একেৰাজ্য কৰিলে
ললে যোৰহাটত ঠাই।'

* * *

বিহু আনন্দৰ উৎসৱ। কিন্তু অৰ্থনৈতিক পৰিস্থিতিয়ে বিহুৰ আনন্দ উপভোগ কৰাত বাধা দিয়ে। পৰৰ আনন্দ দেখি দীঘল হুমুনিয়াহ ওলাই আহে। আজিৰ সামাজিক পৰিবেশৰ লগত পুৰণি কালৰ সামাজিক পৰিবেশৰ মিল নেথাকিলেও দুখীয়াৰ মনৰ বেদনা তেতিয়াও আজিৰ দৰেই আছিল।

'দুখৰ ভাই-ককাই হলোঁ ঐ দুখীয়া
সাজি লব নোৱাৰোঁ ঘৰ;
পটীয়া পাটীকে কিনি লব নোৱাৰোঁ
তাতো কৰে হুবুৰি দৰ।'

বিহু পাতিবলৈ আজৰি নোপোৱা ডেকাই গায়—

'এইবেলি বিহুটি খাবলৈ নাপালো
ম'তা ম'হ ৰখীয়া দিলে।'

বিহুৰ দিনা হুচৰি গোৱা মানুহে হিয়া উদিয়াই আশীৰ্ব্বাদ দিয়ে। সেই আশীৰ্ব্বাদত অসমীয়া মানুহৰ আন্তৰিকতা বৈ-বৈ গৈছে।

'এটা বাটিত নহৰু এটা বাটিত পনৰু
এটা বাটিত খুতৰা শাক ;
মূৰৰ চুলি ছিঙি আশীৰ্ব্বাদ কৰিছোঁ
চেনাই তই কুশলে থাক।'

*    *    *

'ঘৰৰ ফুল চটি মাৰলি মাৰলি
বগায় কাঁড়শলা সাপ ;
মোৰ জানো কপালত যি হবৰ হইছে
চেনাই তই কুশলে থাক।'

বিহুনামৰ ভাষা সৰল, ভাব কোমল আৰু বিহুৰ প্ৰতি থকা অসমীয়া মানুহৰ আন্তৰিকতা আদ্যোপান্ত বিয়পি আছে।

'কিনো কাপোৰ খনি ফুলে জকেমকি
উৰি যায় বতাহৰ লগত ;
নেখায় চাৰি সাজি থাকিব পাৰোঁ মই
বহাগৰ বিহুৰে লগত।'

বিহুনাম অসমীয়া লোক-সাহিত্যৰ এটি অমূল্য সম্পদ। ইয়াৰ বুকুত আছে জাতিৰ প্ৰাণৰ স্পন্দন, জীৱনৰ বুৰঞ্জী আৰু সমাজৰ প্ৰতিচ্ছবি। ইয়াৰ ভাষা সৰল, ছন্দ সাৱলীল, সুৰ মনোমোহা।

# বনঘোষা—পীৰিতিৰ গীত

বনঘোষা উদ্দাম যৌৱনৰ গীতিব্যঞ্জক অভিব্যক্তি। মুক্ত পৰিবেশ, উন্মুক্ত আবেগ আৰু উৰুঙা পথাৰখনৰ প্ৰতিধ্বনিবোৰতেই বনঘোষাৰ জন্ম। যৌৱন জীৱনৰ কঠীয়াতলী। অযুত আশাৰ নিযুত বাসনাই ভুমুকি মাৰে যৌৱনৰ দুৱাৰদলিত। জীৱনৰ নতুন সোৱাদ বিচাৰি বাউল হোৱা মনটোৱে সৃষ্টিৰ নিয়ম মানিয়েই উকি মাৰে—লগৰীয়া বিচাৰি। যৌন-পিপাসাৰ পৰশত প্ৰাণৰ পথাৰত পলস পৰে। পথাৰৰ পলসত গজি উঠে সেউজীয়া আশা, আকাঙ্ক্ষা। মিলনৰ দুৰ্ব্বাৰ বাসনাৰে ডেকা-গাভৰুৰ মন ওচৰ চাপি যায়। এই সময়ত ভাৱে মুক্তি বিচাৰে, ভাষাই মুক্তি বিচাৰে; মুক্তি বিচাৰে সৃষ্টিৰ আদিম সত্যটোৱে।

ফাগুনৰ ফাগুনী পছোৱাই শীতৰ শেতেলিত শুই থকা প্ৰকৃতিক জগাই দিয়ে; লগে লগে সাৰ পাই উঠে জন-জীৱনৰ আদিম প্ৰবৃত্তিটো। পছোৱাৰ পৰশত সাৰ পাই উঠে মানুহৰ যৌৱন। সেই সময়ত কমোৱা তুলাৰ দৰে উৰি ফুৰা মনটোৱে মেলি দিয়ে গীতৰ পোহাৰ। নৈ-বিল, পৰ্ব্বত-পাষাণ, ইকৰানি-বিৰিণানিৰ বুকু ৰজনজনাই যায়। যৌৱনৰ জোৱাৰত উটি অহা বনৰীয়া ভাৱ-ভাষাৰ এই গীতবোৰক মানুহে বনঘোষা বোলে। বনঘোষাবোৰ বনৰীয়া নাম বা গৰখীয়া নাম বুলিয়েই সাধাৰণতে জনাজাত। বনঘোষা—সংজ্ঞাটো নতুন; গীতবোৰ বহুত পুৰণি।

বনঘোষাবোৰ যৌৱনৰ গীত; ই পীৰিতিৰো গীত। যৌৱন জীৱনৰ অনাহূত অতিথি। জীৱনলৈ অনাগত যৌৱন আহে অনাহূত হৈ। অনাহূত যৌৱনৰ লগতে পীৰিতি আহে হাতধৰী লিগিৰী হৈ।

পীৰিতি মানুহৰ ব্যতিক্ৰম নহয়। বনঘোষাবোৰ 'বতৰৰ গীত'। মানুহৰ জীৱনৰো বতৰ; প্ৰকৃতিৰো বতৰ। পৰিবেশ আৰু প্ৰকৃতিয়ে যেতিয়া সন্ধান দিয়ে এখন নতুন পৃথিবীৰ, মিলন যেতিয়া মানুহৰ জীৱনত অপৰিহাৰ্য্য হৈ উঠে, তেতিয়া পীৰিতিৰ পাতনি মেল খায়—

'প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে
তাৰ পিছত স্ৰজিলে জীৱ;
সেইনোজন ঈশ্বৰে পীৰিতি কৰিলে
আমিনো নকৰিম কিয়?'

সৃষ্টিৰ আদিম পীৰিতি প্ৰকৃতি আৰু পুৰুষৰ পীৰিতি। আদম-ইভ, কৃষ্ণ-ৰাধা, হৰ-গৌৰী আৰু উষা-অনিৰুদ্ধৰ পীৰিতিও প্ৰকৃতি আৰু পুৰুষৰে পীৰিতি, অভেদ্য—অচ্ছেদ্য। ঈশ্বৰ আৰু মানুহ, মানুহ আৰু যৌৱন, যৌৱন আৰু যৌনাসক্তি—সেয়ে পীৰিতি, ইহঁতৰ সম্পৰ্ক অনবদ্য। পীৰিতিৰ আবেগত উথলি উঠা মনত আঁৰ নেথাকে। নিজম পৰিবেশৰ সুবিধা লৈ মনৰ তলিৰ গোপন কথাবোৰ হিয়া উদিয়াই কৈ দিব খোজে। তাকে কবোঁতে ভাষাই পাৰ ভাঙি যায়, শব্দই মুক্তি বিচাৰে, কথাবোৰ কবিতা হৈ যায়। কবিতাবোৰ পমি গীত হৈ সিৰে সিৰে সোমাই যায়।

'চৰাই হৈ চৰিমগৈ ছওঁৰা পুখুৰীত
লাও হৈ লাগিমগৈ চালত;
মাখিৰূপে ধৰি চুমা খাই আহিমগৈ
তোমাৰ কুমলীয়া গালত।'

গীত ফাঁকিত আছে উৰণীয়া মনৰ অসীম কল্পনা আৰু কাব্যিক অভিব্যক্তি, লগতে আছে দুৰ্ব্বাৰ যৌনাকাঙ্ক্ষা।

সময়ৰ চকৰী ঘূৰে, সমাজৰ পৰিবেশো সলনি হয়। এশবছৰ বা তাতোকৈ আগৰ সমাজত শিক্ষাৰ চকাচ'ন্দা পোহৰ পোৰা আভিজাত্য বা আঁৰ-বেৰ নাছিল। চ'ত গ'ল, জীয়ৰী মুকলি হ'ল। বছৰেকৰ

বিহুত শালৰ হাতীও মুকলি হয়; ডেকা গাভৰুৰ কথাই নাই। যৌৱনৰ বিহু আছিল চিৰজীৱনৰ বাবে লগৰী বিচাৰি লোৱাৰ উপযুক্ত সময়।

'তোমাৰে বাৰীতে কলপাত কাটিলোঁ
আগলি আগলি চাই;
বিহুৰে তলীতে তোমাক বাছি ললোঁ
কঁকাল খামুচীয়া পাই।'

যৌৱন আৰু বিহুৰ সমন্বয়ে ডেকা-গাভৰুৰ জীৱনত পূৰ্ব্বৰাগ, অনুৰাগ, প্ৰেম, প্ৰীতি, প্ৰণয় আৰু মিলনৰ মাধুৰিমা বাকি দিছিল। কোনোবাই প্ৰণয়ৰ পূৰ্ণতাৰে দাম্পত্য জীৱনৰ পাতনি তৰিছিল; কিন্তু কোনোবাই পাইছিল বিচ্ছেদ-বিৰহৰ দোকোল টকা বান, আমঠু ক'লা পৰি যোৱা শোক আৰু বুকুত সৰিয়হ ফুটা একুৰা জুই। তেতিয়াও মনৰ অঠাইসাগৰত গুজৰি গুমৰি থকা ভাববোৰ অবাৰিত গতিৰে ওলাই আহে—

'ধনশিৰী দলংখন ভেটিলে ঐ চেনাইকণ
লোহাৰ ঐ শলখা মাৰি;
তোমাকে ঐ আমাকে ভেটিলে ঐ সমাজে
দুটি দেহা দুফালে কৰি।'

বিচ্ছেদৰ দোকোল টকা বানত মনৰ সেউজীয়া আশা-আকাঙ্ক্ষাবোৰ উটি যাব খোজে, বিৰহৰ প্লাৱনত মন বুৰ যায়, তথাপি মনে নেমানে, মন অবুজন, মনে ওদালৰ ডোল ছিঙি লব মাৰিব খোজে। পুৰণি পীৰিতিৰ স্মৃতিত নতুন সঞ্জীৱতাই মাথোন দেখা দিয়ে, সেয়েহে আকৌ এবাৰ গায়—

'বৰঘৰৰ মূধতে ভঁৰালৰ টুপতে
চৰাই ফুটুকলা খায়;
মোৰ জানো মনতে পৰে ঘনে ঘনে
তোৰ জানো মনতে নাই।'

সেয়ে জানো বুকুৰ বেদনা পাতলাব পাৰে? বিচ্ছেদ-বিৰহৰ জীয়াজুই সহিব নোৱাৰি জীৱনৰ প্ৰতি মোহ হেৰুৱাই পেলায়। তেতিয়া মৰি যাম মৰি যাম লাগে।

'কিনো খাই পাহৰিম তোকে ঐ লাহৰী
কিনো খাই পাহৰিম তোক,
মিচিমি আহিব ৰবৰিহ আনিব
তাকে খাই পাহৰিম তোক।'

যৌৱন ধুনীয়া। যৌৱনৰ পৰশত পৃথিবীখনো ধুনীয়া হয়। সৌন্দৰ্য্যৰ প্ৰতি তীব্ৰ হেঁপাহ এটা জাগি উঠে। যৌনাসক্তিৰ প্ৰভাৱৰ পৰা দৃষ্টিত কায়িক সৌন্দৰ্য্যও যৌনাসক্তিপূৰ্ণ হৈ পৰে। পুৰুষৰ নাৰীৰ প্ৰতি, নাৰীৰ পুৰুষৰ প্ৰতি আকৰ্ষণ বাঢ়ে, অঙ্গ-বিশেষৰ আকৰ্ষণ প্ৰকট হৈ উঠে।

'তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা,
তোমাৰ বাহু দুটি পদুমৰ ঠাৰি যেন
ৰেচমৰ কাপোৰে ঢকা।'

* * *

'তোমাৰ গাল দুখনি পাভ মাছৰ নিচিনা
ঘোঁৰা ফানৰ নিচিনা চুলি,
লম লম বুলি এদিনো নল'লা
দুখনি হাতৰে তুলি।'

কাব্যিক দৃষ্টিভঙ্গীত বনঘোষাৰ ভাষা যেনেকৈ আঁৰ-কাপোৰ উদঙাই মুকলিমূৰীয়া হৈ প্ৰকাশ পায়, আলঙ্কাৰিক বিচাৰতো বনঘোষাৰ সৰলতা আৰু স্বচ্ছতাই দেখা দিয়ে। বনঘোষাও প্ৰতীকধৰ্ম্মী, কিন্তু সহজবোধ্য। আবেগত উথলি উঠা শিল্পীমনৰ বনঘোষাত সুপৰিকল্পিত ভাৱে অলঙ্কাৰ সৃষ্টি কৰি দেখুৱাবলৈ আজৰি নাই, স্বতঃস্ফূৰ্ত্ত ভাৱেই অলঙ্কৃত হৈ পৰিছে। শব্দালঙ্কাৰ, অৰ্থালঙ্কাৰ, উভয়বিধকেই

বনঘোষাত পোৱা যায়। শব্দালঙ্কাৰৰ ভিতৰত ৰূপক আৰু উপমাই সৰহ। সাধাৰণতে মানুহৰ শাৰীৰিক সৌন্দৰ্য্য আৰু প্ৰাকৃতিক সৌন্দৰ্য্যৰ ৰিজনিতেই উপমাবোৰ সজীৱ হৈ উঠিছে। 'দোলা-দাঁপোণ যেন মুখ' ; 'জামুকী বোলোৱা দাঁত' ; 'ঘোৰা ফানৰ নিচিনা চুলি' ; 'পাভমাছৰ নিচিনা তোমাৰ গাল দুখনি', 'কঁকালটি বীণৰে গোট', 'হাতলৈ কি চাবা হাতীৰে শুৰে যেন', 'যেন দাম কলৰ পুলি' ; ইত্যাদি। অনুপ্ৰাসৰো প্ৰয়োগ তেনেকৈ নোহোৱা নহয়। তদুপৰি বিদ্ৰূপ, ব্যঙ্গোক্তি, বক্ৰোক্তি, মিশ্ৰিতৰূপক, বিনয়োক্তি, আবেগালঙ্কাৰ আদিৰো গোন্ধ আৰু উদাহৰণ পোৱা যায়।

বনঘোষাৰ ভাষা সাধাৰণতে অশ্লীল বা অশ্ৰাব্য বুলি এটা উপকৰা ধাৰণা আছে। সাধুভাষা আৰু গ্ৰাম্যভাষা বুলি একেটা ভাষাৰে দুটা ৰূপ থকাৰ দৰে বনঘোষাৰ ভাষাতো বনৰীয়া ভাব আৰু মুক্ত ৰীতি এটা দেখিবলৈ পোৱা যায়। নৈৰ পানীঘাট, গৰখীয়াতলী, চ'ত-মহীয়া নিশাৰ ৰাতি-বিহুৰ বিহুতলী নতুবা ইকৰানি-বিৰিণানিৰ মাজত উন্মুক্ত ভাৱে চহা স্বভাৱ-কবিয়ে গাই ফুৰা গীতবোৰত আমাৰ তথাকথিত শিক্ষিত আৰু ভদ্ৰসমাজৰ বাবে আচহুৱা আৰু অশ্লীল ভাৱ প্ৰকাশ হোৱাটো স্বাভাৱিক। গীতেৰে হলেও গাওঁতাই প্ৰকৃততে মনৰ ভাৱটোহে ব্যক্ত কৰিব খোজে ; তাকে বলিষ্ঠভাৱে প্ৰকাশ কৰিবলৈ যাওঁতে শব্দ চয়নৰ প্ৰতি চকু দিবলৈ আজৰি নাই। যি শব্দেৰেই ভাৱটো শক্তিশালী হৈ প্ৰকাশ পোৱা যেন লাগে, তেনে শব্দকে ব্যৱহাৰ কৰে আৰু সেই সময়ত অশ্লীল শব্দও প্ৰকাশ পাব পাৰে। এনে তথাকথিত অশ্লীল বা অশ্ৰাব্য গীতবোৰৰ মাজতো মাৰ্জ্জিত, সুৰুচিপূৰ্ণ, কাব্যিক অভিব্যক্তিব্যঞ্জক মুকুতা-মণি যেন একোটা গীতো পোৱা যায়।

বনঘোষা যৌন-জীৱনৰ অভিব্যক্তি। গতিকে মইনা, চেনাই, লাহৰী, বহনা, ধন আদি সম্বোধনবোৰৰ ব্যৱহাৰ সৰহ। তদুপৰি প্ৰণয়াত্মক গীতৰ প্ৰাচুৰ্য্যও অধিক। যৌন-জীৱনৰ আৱেগ-অনুভূতি

প্ৰকাশ পোৱাৰ লগতে বহুতো সামাজিক বৈষম্যৰ কথাও প্ৰকাশ পাইছে। 'আমি দুখীয়াৰ জী', 'হাতত নাইকিয়া ধন', 'কি কৰিব অজাতিৰ কুলে', 'মতা ম'হ ৰথীয়া দিলে', 'তোমাকে আমাকে ভেটিলে ঐ সমাজে', 'ঘাটে সেৱা কৰে নাও' আদি খণ্ডবাক্যৰ পৰাই সামাজিক বৈষম্য আৰু অৰ্থনৈতিক অৱস্থাৰ বিষয়েও জানিব পাৰি।

বনঘোষাত সময়ৰ বুলনি আছে ; স্থানীয় পৰিবেশৰ কৰাল লাগি আছে—আৰু আছে প্ৰকৃতিৰ মধুৰ পৰশ। চৰাইৰ উৰণীয়া পাখি, নৈৰ বগী চকেচকী বালি, পাৰৰ কঁহুৱা ফুল, বৰ্হমথুৰি এজুপি, বিৰিণা বননিৰ উজ্জ্বল ছবি আছে, নৈ, পৰ্ব্বত, পথাৰৰ ভুমুকি আছে। গীতৰ বা ঘোষাৰ মূল কথাটো কবলৈ তুলনামূলক চিত্ৰটো অঙ্কন কৰোঁতে নৈৰ স্বকীয়া স্বকীয়া বৈশিষ্ট্যই দেখা দিছে। ধনশিৰীৰ দলঙ, ব্ৰহ্মপুত্ৰৰ পাৰৰ বৰ্হমথুৰি, লুইতৰ বালি, বৰচাপৰি, ৰঙানৈৰ মাছ, দিখৌ গুমেগুমাই অহা কোম্পানীৰ জাহাজ, দিহিঙৰ এৰা সুতি, জাঁজী নৈৰ জাঁজৰি, ভোগদৈৰ লেতেৰা পানী, ডিবুৰুৰ আগলি, কাব্যিক ৰহণেৰে উজলাই তুলিছে। 'তোৰনো ঘৰ সিপাৰে, মোৰনো ঘৰ ইপাৰে'—কোনে দিয়ে যায় সাঁকো'। গতিকে দীঘল হুমুনিয়াহ এটা আগত লৈ গধুৰ বুকু পাতল কৰি ওলাই যায়—

'ধনবে বাতৰি বেয়াটো শুনিলোঁ
কঠিয়াতলীলৈ গৈ ;
চৰাই হোৱা হ'লে উৰি গলোহেঁতেন
মাজত ধনশিৰী নৈ।'

নৈৰ কাষত নদালি ভলুকা নৈৰ বুকুত হালি পৰে। সেইদৰে কাৰোবাৰ হিয়া এখন হাউলি পৰিছিল কিবা আকৰ্ষণত। সিয়ে সৃষ্টি কৰিছিল একুৰা চিন্তাৰ জুই। জুয়ে দহি নিছিল এখন বুকু, এটা দেহা। সেয়ে মৰমৰ ধাৰ থাব নোখোজা ডেকাই চিঞৰি উঠিছে—

'নৈলৈ হালিলে নদালি ভলুকা
পথাৰলৈ হালিলে কাক ;
বুকুৰ হাড় ওলালে ডালি ডালি কৰি
কালৈ চিন্তা কৰি থাক।'

* * *

'ৰঙা নৈ শুকালে মাছৰে বেজাৰত
লুইতখন শুকালে কিয় ?'
'মই চেনাই শুকাইছো তোমাৰে বেজাৰত
তুমিনো শুকাইছা কিয়।'

বনঘোষাৰ জোৰণি অংশত থকা নৈৰ চিত্ৰ আৰু মূল উদ্দেশ্যৰ মধুৰ সমন্বয় দেখিবলৈ পোৱা যায়।

'ধনশিৰী ভেটিলে জেঙে ঐ জাবৰে
সোৱণশিৰী ভেটিলে কিহে,
ভঙা খোলাকটি কমাৰে গঢ়িলে
যৌৱন গঢ়ি দিলে যিহে।'

* * *

'ধনশিৰী দলঙখন ভেটিলে ঐ চেনাইকণ
লোহাৰে শলখা মাৰি ;
তোমাকে আমাকে ভেটিলে সমাজে
ছুটি দেহা দুফালে কৰি।'

* * *

'ব্ৰহ্মপুত্ৰৰ পাৰৰে বৰ্হমথুৰি এজুপি
আমিনো খৰিলুৱা ঠাই ;
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোতা নাই।'

* * *

'লকুৰা বিলখন জাপমাৰি ডেই যাম
ব্ৰহ্মপুত্ৰ কেনেকৈ ডেম ;
সিপাৰৰ পৰা বান্ধে হাত মেলিবি
মকৰা জোৰাদি যাম।'

* * *

'দিখৌ নৈৰ পাৰবে থোৰালি ঢেকীয়া
নিতৌ চাবি আঙুল বাঢ়ে ;
তোলৈ লাহৰী মনত ঐ পৰিলে
বাতিও টোপনি নাহে।'

* * *

'হাতী পানী খালে হোৰাঙে দৈয়াঙে
ঘোঁৰাই পানী খালে বৈ ;
ধনে পানী খালে পীৰিতি নিজৰাত
থিয় গৰাত খোপনি লৈ।'

স্বভাৱ-কবিৰ অপলক দৃষ্টিত অসমৰ চৰাই-চিৰিকতি, গছ-লতাই প্ৰাণ পায়। ওপৰে উৰি যোৱা যুৰীয়া চৰাই হাল দেখি সৃষ্টিৰ সনাতন সত্য প্ৰকৃতি-পুৰুষৰ এৰাব-নোৱৰা সম্পৰ্কটোলৈ মনত পৰে। নৈ-সাগৰ, পৰ্ব্বত-পাষাণে আগুৰি থকা পৃথিবীৰ সীমা পাৰ হবলৈ চৰাইৰ পাখি ছুখনি দেখি অনুশোচনা আহে। চৰাইৰ হালধীয়া পাখি দেখি মনৰ বৰণো সলনি হয়।—

'চমকত চাবলৈ নহওঁ মই বিজুলী
নহওঁ মই বোৱতী নৈ
চৰায়ো নহলো উৰি গলোহেঁতেন
ছুকাষে ছুপাখি লৈ।'

* * *

'চিৰিপ্ চিৰিপ্ কৰি কাপোৰ ধুই আছিলোঁ
ওপৰে উৰিলে টুনি ;

টুনিৰ লগতে উৰিম যেন লাগিলে
ওচৰত নহ'লা তুমি।'

* * *

'চৰাই হালধীয়া পাখি বিনন্দীয়া
অৰণ্যৰ ভিতৰত টোপ্,
দিনটোৰ ভিতৰত এবাৰ নেদেখিলে
পেটতো নেলাগে ভোক্।'

বনঘোষাত চৰাইৰ চিত্ৰ সজীৱ হৈ উঠিছে। বৰঘৰৰ মূধত, ভঁৰালৰ টুপতে চৰায়ে ফুটুকলা খায়, নলনিত হেটুলুকা চৰায়ে মাতে, চাকৈ-চকোৱাই বৈ-ৰৈ কান্দে, ওপৰে উৰিলে কৰচন-কন্নুৱা তাৰ লগত উৰিলে বগ, শালিকী চৰায়ে কিৰিলি পাৰিলে গছৰ গুটি খাবলৈ পায়, হাঁহে বাটে বুলে লুডুৰে-পুডুৰে, পথাৰ ঢাকি পৰিলে কাম, আলি ঢাকি পৰিলে কাণকুৰিকা চৰাই, মৌ-পিয়া চৰায়ে ডালত কটালিলে পাখি, চৰাইৰে পোৱালি উৰিব নোৱাৰে ঘূৰি ঘূৰি বাহতে পৰে, বৰঘৰৰ মূধতে কপৌ কুৰুলিয়াই, বগৰীৰ ডালতে কপৌটি বিনালে, ঠেঙ ধৰি বিনালে কুলি, চুঁচৰি চৰিলে ঠেঙ্ ভগা চৰাইটি, কুহু কুহু কৰি কপৌটি বিনালে ডাউকে বিনালে ৰৈ, বাঁহৰে আগতে কপৌ চৰাই হালি ইত্যাদি—

প্ৰকৃতি আৰু পুৰুষৰ আকৰ্ষণ সৃষ্টিৰ আদিম সত্য। যৌৱনৰ উন্মাদনাই যেতিয়া জীৱনলৈ এবুকু নতুন আশা লৈ আহে তেতিয়া গাভৰুৰ মুখ, চকু, ওঁঠ আদিত সৌন্দৰ্য্যৰ সপোন দেখে। তেতিয়া হয়তো বুকুৰে বুকুৰ কথা জানিবলৈ বিচাৰে, দুটি জীৱন এটি হৈ যোৱাৰ অমূৰ্ত্ত বাসনা জাগি উঠে। তেতিয়া প্ৰণয়ৰ পূৰ্ব্বৰাগত মনবোৰ মাখন-কোমল হৈ পৰে। এপাহ ফুল, এখনি তামোল, এটি চাৱনি, এটি মিচিকিয়া হাঁহিৰে মনৰ তলিৰ গোপন-গভীৰ কথা এটিৰ পূৰ্ব্বাভাস দিবৰ প্ৰয়াস কৰে। তেতিয়া কৰৱ মন যায়—

'আহোঁতে দেখো ধন যাওঁতে দেখো ধন
বগী জামুকৰে পুলি ;
খোৱাবো ন'হলি পিন্ধাবো ন'হলি
চকুৰহে পোৱণি হলি ।'

তেতিয়া মনটো আশা, ভয় আৰু অচিনাকি মনৰ অজান আশঙ্কাই আগুৰি ধৰে। তেতিয়া সুধিবৰ মন যায়—

'চকুৰে চকুৰে কি চাৱ মইনা
মই চালে তলমূৰ কৰ ;
তই নো মাতোঁতেই মাতিব পাৰোঁ মই
জানোচাই কেটেৰাই মাৰ ।'

* * *

'চকুলৈ চালে হাঁহা মিচিকিয়াই
হাঁহিতে লগোৱা বেথা ।'

* * *

'তুমি চোৱা আমালৈ আমি চাওঁ তোমালৈ
চাইনো চাই কৰিবা কি,
এদিন এবেলা ৰাখিব নোৱাৰোঁ
কোনোবা কাৰোবাৰ জী ।'

যেতিয়া পূৰ্ব্বৰাগৰ পৰশত মন ৰঞ্জিত হৈ উঠে, তেতিয়া প্ৰণয়ীৰ দৃষ্টি কেন্দ্ৰীভূত হৈ পৰে কোনো এক নিৰ্দ্দিষ্ট বিন্দুত—নিৰ্দ্দিষ্ট ব্যক্তিত ; তেতিয়া পৃথিৱীৰ সমূহ সৌন্দৰ্য্য আহি তাতে থূপ খায়। তেতিয়া— ?

'উজাই চালোঁ মই ভটীয়াই চালোঁ মই
তোমাৰ মান শুৱনী নাই,
দেৱে ঐ মাৰিব মনিচে মাৰিব
তোমাক জানো অকলে পাই ।'

তেতিয়া সৰ্ব্বভূক হ'বৰ মন যায়—

'কিনো চ'তমহীয়া ৰ'দে চৌ চৌ
পেটতো লাগিছে ভোক,
টিঁয়হো ন'হলি চিৰালো ন'হলি
চোবাই খালোহেঁতেন তোক।'

'যৌৱনৰ ৰাঙলী আভাৰে উদ্দীপ্ত চকুযুৰিৰে সৰ্ব্বাঙ্গসুন্দৰ দেখে। অঙ্গে অঙ্গে বিয়পি পৰে কামনাৰ শিখা।

'তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা;
তোমাৰ বাহু দুটি পদুমৰ ঠাৰি যেন
ৰেচমৰ কাপোৰে ঢকা।'

* * *

'তোমাৰ মুখখনি মালিমাছৰ নিচিনা
বামি মাছৰ নিচিনা চুলি।'

* * *

'হাতলৈ কি চাবা হাতীৰে শুঁৰে যেন
ভৰিৰনো কি চাবা গোট;
মুখলৈ কি চাবা দোলা-দাপোণ যেন
এখামোচ কঁকালৰ গোট।'

* * *

'বিহুৰে তলীতে তোমাক বাছি ললো
কঁকাল খামুচীয়া পাই।'

* * *

'হাতৰে আঙুলি পবালি পবালি
ভৰিৰে আঙুলি ঘন।'

* * *

‘কিনো হাত দুখনি কিনো ভৰি দুটি
কিনো তোমাৰ শুৱলা মাত ;
ৰ’দ পাই জিলিকে তোমাৰ গাল দুখনি
হাঁহিলে জিলিকে দাঁত।’

* * *

‘বুকু বহল কৰি কঁকাল চিয়াঁ কৰি
তোমাৰ মান শুৱনী নাই,
তোমাৰে কঁকালটি অতিকৈয়ে লাহী
খোজত হালি জালি যায়।’

* * *

‘হাতৰে আঙুলি কিনো চাই যাবা
জিলিকে জেতুকাৰ বোল।’

* * *

‘তোমাৰে দেহাটি পতুমৰ পাহি যেন
মাণিকী মধুৰী হাঁহি।’

* * *

‘তিতাকৈ তিয়নী যৌৱনৰ শুৱনী
গোহালি শুৱনী তাঁত ;
লাহৰীৰ শুৱনী চকুৰ চেলাউৰি
জামুকী বোলোৱা দাঁত।’

অঙ্গে অঙ্গে জ্বলি উঠে অঙ্গৰাগ। কিন্তু অৰ্গ-সৌষ্ঠৱ, তাহানিৰ চকুৰেহে চাইছিল। অৱশ্যে উপমাত পুৰণি কবি-প্ৰসিদ্ধিৰ প্ৰভাৱ নপৰা নহয়। জামুকী বোলোৱা দাঁত, কঁকাল খামুচীয়া, খোপা উধনীয়া, ঘোঁৰা ফানৰ নিচিনা চুলি, যাঠীৰে কুড়া যেন লাহৰী কঁকাল, টিয়ঁহৰ জালি যেন চেহেৰা, পাভমাছৰ নিচিনা গাল, মালিমাছৰ নিচিনা গা, লাহৰী ওঁঠ, মাণিকী মধুৰী হাঁহি, কঁকালটি বীণৰে গোট আদি উপমা অসমীয়া স্বভাৱ-কবিৰ প্ৰতিভাশালী সৃষ্টি।

যৌৱনৰ মন, মতলীয়া হাতী—গজমূৰী গাই। ওদালৰ ডোল ছিঙি যেনিয়ে তেনিয়ে যাব খোজে। তেতিয়া আৰু কথা লুকাই নেথাকে, বুকু ডাঠ কৰি কৈ দিবৰ মন যায়—

'প্ৰথমে ঈশ্বৰে সৃষ্টি সৰজিলে
তাৰ পিছত স্ৰজিলে জীৱ,
সেইনো জন ঈশ্বৰে পীৰিতি কৰিলে
আমিনো নকৰিম কিয় ?'

তেতিয়া সঁচাকৈয়ে মুখ ফালি ওলাই আহে—

'দিখৌ নৈ এৰিব পাৰোঁ মই লাহৰী
জাঁজী নৈ এৰিব পাৰোঁ,
তোমাৰে পীৰিতি এৰিব নোৱাৰোঁ
নেখায়ো মৰিব পাৰোঁ।'

বনঘোষাৰ ভাষা আৰু কথন ৰীতি অতি চমৎকাৰ। নিচেই তাকৰীয়া কথাৰেই হিয়াৰ গভীৰ আৱেগজড়িত কথাবোৰ বনঘোষাৰে প্ৰকাশ কৰিব পাৰি।

'ৰৰঘৰৰ মূধতে ভঁৰালৰ টুপতে
চৰাই ফুটুকলা খায় ;
মোৰ জানো মনতে পৰে ঘনে ঘনে
তোমাৰ জানো মনতে নাই ?'

* * *

'হাতী হেৰুৱালোঁ লিহিৰী বনত ঐ
ঘোঁৰা হেৰুৱালোঁ ৰণত ;
পাই হেৰুৱালোঁ সৰগৰ মুকুতা
চোতালৰ দুবৰি বনত।'

* * *

'লুইতৰে বালি বগী চকেচকী
কাছই কণী পাৰে লেখি ;

গাত জুই জ্বলিছে সৰিয়হ ফুটিছে
ধনক পানীঘাটত দেখি।'

* * *

'চনক চনক কৰি ভাগে বুকুখনি
যেন বিৰিখৰে ডাল।'

* * *

'সাদিনৰ বাটতে তোলৈ মনত পৰি
শৰীল মৰি আহে মোৰ।'

* * *

'দিনৰে দিনটো তোমালৈ ধাউতি
ৰাতি পুৰি মাৰে গা,

* * *

'বুকুত দি গলি জীয়া জুই একুৰা
মুখৰ হৰি নিলি হাঁহি।'

* * *

'কাণে চাই জাঙেফাই দিব পাব যদি
গানো চাই খনীয়া দিম;
যদি ঐ লাহৰী মোকে নিওঁ বোল
দেহা উবুৰিয়াই দিম।'

বনঘোষাৰ বুকুত অসমীয়া জাতিৰ মনৰ আৰু প্ৰাণৰ স্পন্দন স্পন্দিত হৈ আছে আৰু সাহিত্যিক দৃষ্টিৰ পিনৰ পৰাও ই আপুকগীয়া।

ঢোলেটি বাবৰে
তিনিটি আঙুলি ॥

ঢোল পুৰুষৰ জেউতি চৰোৱা অসমীয়া সংস্কৃতিৰ আপুৰুগীয়া সম্পদ। ঢোল নহলে বিহু কিহৰ? ঢোলৰ মাত শুনিলেই বিহুৱাৰ গা সাতখন-আঠখন লাগে। বিহুৱতীৰ ফুলপানী ছিগাত ঢোলৰ মাত শুনি উজুটিত যঁতৰ ভাঙিবৰ মন যায়। ঢোলৰ ছেৱে নাচনীৰ গাত দেওধ্বনি তোলে। কথাতে কয়, ঢোল বজায়হে যেনেকৈ, নেনাচিনো থাকোঁ কেনেকৈ? চ'তমহীয়া বিহুঢোলৰ চাপৰত গা-উঠিলে ন-বোৱাৰীয়েও হেনো পানীঘাটত লুকাই লুকাই এপাক মাৰে। ঢোলৰ ছেৱে ছেৱে বিহুত এপাক নাচিলে হেনো বছৰটোলৈ হেনো মূৰফুৰণি ভাগে। সেয়েহে ই অসমীয়া সংস্কৃতিৰ কঠীয়াতলীতে লগ লাগিছিল যদিও কুৰি শতিকাতো লগ এৰিব পৰা নাই।

অসমত ঢোল বিহুত বজোৱাৰ উপৰিও বিয়াত বজায়। তাহানি বজা আৰু ডাঙৰীয়া তিনিজনা নগৰৰ বাহিৰলৈ গলে ঢুলীয়াই দোলাৰ কাষে কাষে দোলাকাষৰীয়া ছেও মাৰি গৈছিল।

এসময়ত বিয়াৰ দৰাৰ শোভাযাত্ৰাৰ লগত ঢোল নহলেই নহৈছিল। মিৰি জনজাতিৰ মনটো ভাল লাগিলেই ঢোলত চাপৰ মাৰে আৰু গাভৰুৱে নাচে। বিশিষ্ট অতিথিক আগবঢ়াই নিওঁতে আজিকালিও ঢোল বজায়।

আহোম বজাৰ দিনত বজাঘৰীয়া ঢুলীয়াৰ খেল আছিল। ঢুলীয়াপাৰে এতিয়াও তাৰ সাক্ষী দিয়ে। একালত বিয়াৰ ঢুলীয়া হৈ যাবলৈ মানুহে বেয়া নেপাইছিল। ঢুলীয়াক যথোচিত মাননি

দিছিল। চ'তৰ মাহ সোমোৱাৰে পৰা তাহানি বাতি-বিহু পাতিছিল আৰু ঢোল বজাইছিলণ আহাৰ, শাওণ, ভাদ মাহত ঢোল নবজায় বোৱা পোকে খায় বুলি ভাৱে।

অসমত ঘাইকৈ দুবিধ ঢোল দেখা যায়, এবিধ উজনিত প্ৰচলিত ঢোল আৰু আনবিধ বড়ো-ঢোল। বড়ো-ঢোলবোৰ দীঘল। উজনিত প্ৰচলিত ঢোলবোৰ এহাত-এমুঠি মান দীঘল। সোঁফালে ঠেক, বাওঁফালে বহল। সোঁফালে মাৰিৰে বজায়, বাওঁফালে হাতেৰে তাল মিলায়। জয়ঢোল সাধাৰণতে বিয়াতহে বজায়। আম, চাম আৰু কঁঠাল গছ খুলি ঢোলৰ খোলাটো তৈয়াৰ কৰে। খোলাটো যিমান পাতল হয়, ঢোলৰ মাত সিমান পাতল আৰু মিঠা হয়। গৰুৰ ছালেৰে ঢোল চায়। বাঘে খোৱা চেউৰী গৰুৰ ছালেৰে ঢোল চালে হেনো বেচিকৈ বাজে। ঢোলৰ উৎপত্তিমূলক লোক-কাহিনীৰ জুনাও শুনিবলৈ পোৱা যায়। ঢুলীয়াৰ জুনাও স্থকীয়াকৈ আছে, ইয়াকে ঢোলৰ মালিতা বোলে।

অসমৰ ঢোলৰ লগত প্ৰশান্ত মহাসাগৰৰ দ্বীপপুঞ্জৰ কিছুমান মানুহৰ এবিধ ঢোলৰ সাদৃশ্য আছে। এওঁবিলাকে গৰু-ছালৰ পৰিবৰ্ত্তে 'ওপচাম' নামৰ এবিধ পশুজাতীয় জীৱৰ ছালেৰে ঢোল তৈয়াৰ কৰে। ইয়াৰ পৰা ঢোল মূলতে অষ্ট্ৰিক সংস্কৃতিৰ সম্পদ বুলি ঠাৱৰ কৰা হৈছে। কৃষক অষ্ট্ৰিকসকলে ঢোল বজাই গীত গাই শস্যৰ উৎপাদন কামনা কৰিছিল। আহুখেতিৰ টঙিয়ৰত ঢোল বজাই চৰাই চিৰিকতি খেদাটো এতিয়াও চলি আছে। হয়তো সময়ত অষ্ট্ৰিক সংস্কৃতিৰ লগত নৃত্য-গীতপ্ৰিয় আলপাইন সংস্কৃতিৰ সংমিশ্ৰণ হৈ ঢোলৰ বিশেষত্ব বঢ়াই তোলে। অষ্ট্ৰিক সকলে ভাবিছিল, শস্যৰ ধাননিৰ কাষত বাদ্য বজালে শস্যৰ উৎপাদিকা শক্তি বৃদ্ধি পায় আৰু নাচোনৰ গিৰিপনিত পৃথিৱীৰ উৰ্ব্বৰা শক্তি বৃদ্ধি পায়। এইদৰে সময়ৰ সোঁতত সংস্কৃতিৰ সংমিশ্ৰণ হৈ ঢোল অসমীয়া সংস্কৃতিৰ এপদ সম্পদ হৈ পৰে।